# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-05-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ হৈছে। এই পৰ্যায়ত ৫৮টা সমষ্টি সামৰি লোৱা হৈছে।

২। লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ সমান্তৰালভাৱে দেশত সপ্তম তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অব্যাহত আছে।

৩। উচ্চতম ন্যায়ালয়ে এইবাৰৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰতিটো পৰ্যায়ৰ পাছত নিৰ্বাচন আয়োগৰ ৱেবছাইটত ভোটগ্ৰহণ কেন্দ্ৰ ভিত্তিক ভোটদানৰ হাৰৰ তথ্য আপলোড কৰাৰ বাবে আয়োগক নিৰ্দেশ দিবলৈ অস্বীকাৰ কৰিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, বংগোপ সাগৰত সৃষ্টি হোৱা ৰেমাল নামৰ ঘূৰ্ণী বতাহজাকে কাইলৈ পশ্চিমবংগ আৰু চুবুৰীয়া বাংলাদেশৰ উপকূল ভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে।

*আৰু*

৫। ছানৰাইজাৰ্ছ হায়দৰাবাদে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে। এই পৰ্যায়ত ৫৮টা সমষ্টি সামৰি লোৱা হৈছে। ইয়াৰে ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০টা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা, পশ্চিমবংগৰ ৮টা আৰু জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে।

এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপি নেতা ধৰ্মেন্দ্ৰ প্ৰধান, মানেকা গান্ধী মনোহৰ লাল খট্টৰ, সম্বিত পাত্ৰা, বান্সুৰি স্বৰাজ, মনোজ তিৱাৰী, কংগ্ৰেছৰ দীপেন্দ্ৰ সিং হুড্ডা, কুমাৰী শ্বৈলজা, ৰাজ বাববৰ, কন্‌হইয়া কুমাৰ, সমাজবাদী প্ৰাৰ্থীৰ ধৰ্মেন্দ্ৰ যাদৱ আৰু পি ডি পিৰ মুৰববী মেহবুবা মুফ্‌টি অন্যতম। এই পৰ্যায়ত ১১ কোটি ১৩ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ষষ্ঠ পৰ্যায়ৰ সমান্তৰালভাৱে ওড়িশা বিধানসভাৰ ৪২ খন আসনৰ বাবেও ভোটগ্ৰহণ চলি আছে।

আয়োগে ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বয়োজ্যেষ্ঠ আৰু দিব্যাংগসহ প্ৰতিগৰাকী ভোটাৰে যাতে সহজে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰে, তাৰবাবে ভোটগ্ৰহণ কেন্দ্ৰসমূহত খোৱাপানী, ছাঁ, শৌচালয়, বিদ্যুৎ, ৰেম্প, হুইল চেয়াৰ আদিৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু সংশ্লিষ্ট বিষয়াসকলক গৰমৰ সন্মুখীন হোৱাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ

কৰিছে। নিৰ্বাচন হ'বলগীয়া এলেকাসমূহত অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ লগতে মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ooooo

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ সমান্তৰালভাৱে সপ্তম তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অব্যাহত আছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্ট চলোৱা পৰিলক্ষিত হৈছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদী আজি নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে দিনজোৰা ভ্ৰমণসূচীৰে বিহাৰলৈ যাব। শ্ৰীমোদীয়ে ভ্ৰমণ কালত পাটনা, ৰোহতাছ আৰু বাক্সাৰ জিলাত তিনিখন নিৰ্বাচনী সভাত ভাষণ দিব। শ্ৰীমোদীয়ে কালি পাঞ্জাৱত জলন্ধৰ আৰু দিনানগৰত প্ৰচাৰ চলায়। এখন নিৰ্বাচনী সভাত জম্মু-কাশ্মীৰত সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ পুনৰ বলৱৎ কৰা আৰু অঞ্চলটোত সন্ত্ৰাসবাদক উদগনি যোগোৱাই কংগ্ৰেছৰ কাৰ্যসূচী আখ্যা দি শ্ৰীমোদীয়ে আই এন ডি আই মিত্ৰজোঁটক দেশৰ সুৰক্ষাৰ বাবে ভাবুকি বুলি অভিহিত কৰে। একেদৰে বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি বিহাৰ আৰু ঝাৰখণ্ডত কেইবাখনো নিৰ্বাচনী সভাত ভাগ লয়। ইপিনে, কংগ্ৰেছৰ সাধাৰণ সম্পাদক শচীন পাইলটে কালি পাঞ্জাৱৰ শ্ৰীআনন্দপুৰ চাহিব সমষ্টিত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰত ভাগ লয়। আনহাতে বহুজন সমাজবাদী পাৰ্টীৰ সভানেত্ৰী মায়াৱতীয়ে কালি পাঞ্জাৱৰ নৱানশ্বহৰত নিৰ্বাচনী সভাক সম্বোধন কৰে।

ooooo

উচ্চতম ন্যায়ালয়ে এইবাৰৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰতিটো পৰ্যায়ৰ পাছত নিৰ্বাচন আয়োগৰ ৱেবছাইটত ভোটগ্ৰহণ কেন্দ্ৰ ভিত্তিক ভোটদানৰ হাৰৰ তথ্য আপলোড কৰাৰ বাবে আয়োগক নিৰ্দেশ দিবলৈ অস্বীকাৰ কৰিছে। ন্যায়াধীশ দীপাংকৰ দত্তা আৰু সতীশ চন্দ্ৰ শৰ্মাক লৈ গঠিত এখন অৱকাশকালীন বিচাৰপীঠে কালি বিষয়টোৰ শুনানি স্থগিত ৰাখে আৰু লোকসভা নিৰ্বাচনৰ পাছত শুনানি গ্ৰহণ কৰিব বুলি উল্লেখ কৰে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, বংগোপ সাগৰত সৃষ্টি হোৱা ৰেমাল নামৰ ঘূৰ্ণী বতাহজাকে কাইলৈ প্ৰচণ্ড ঘূৰ্ণী বতাহৰৰূপত পশ্চিমবংগ আৰু চুবুৰীয়া বাংলাদেশৰ উপকূল ভাগত খুন্দা মৰাৰ সম্ভাৱনা আছে। বংগোপ সাগৰত সৃষ্টি হোৱা নিম্ন চাপ বলয়ে কালি  প্ৰতি ঘণ্টাত ৮ কিলোমিটাৰ বেগেৰে উত্তৰ-উত্তৰ পূব দিশে গতি কৰে আৰু সম্প্ৰতি ই সাগৰ দ্বীপপুঞ্জৰ পৰা প্ৰায় ৬২০ কিলোমিটাৰ দক্ষিণ-দক্ষিণ পূৱত আৰু পশ্চিমবংগৰ কেনিঙৰ পৰা ৬৭০ কিলোমিটাৰ দক্ষিণত কেন্দ্ৰীভূত হৈ আছে। এই নিম্নচাপ বলয়  উত্তৰ-উত্তৰ পূব দিশে অধিক অগ্ৰসৰ হোৱাৰ আৰু কাইলৈ পুৱাৰ ভাগলৈ পূব মধ্য বংগোপসাগৰত ঘূৰ্ণী বতাহলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পাছত বতাহজাকে উত্তৰ দিশে গতি কৰিব আৰু কাইলৈ মাজনিশালৈ প্ৰচণ্ড ঘূৰ্ণী বতাহলৈ ৰূপান্তৰিত হ'ব। বতাহজাকে কাইলৈ মাজনিশা সাগৰ দ্বীপ আৰু খেপুপাৰাৰ মাজেৰে বাংলাদেশ আৰু কাষৰীয়া পশ্চিমবংগৰ উপকূল ভাগক পাৰ কৰাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত প্ৰতি ঘণ্টাত ১১০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰে বতাহ বলিব পাৰে। বতাহৰ বেগ প্ৰতি ঘণ্টাত ১৩০ কিলোমিটাৰ পৰ্যন্ত বৃদ্ধি পাব পাৰে।

ooooo

ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কমিটী NCMC য়ে বংগোপ সাগৰত সৃষ্টি হোৱা ঘূৰ্ণী বতাহৰ ফলত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ জোৰা মৰাৰ বাবে ল'বলগীয়া প্ৰস্তুতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে কালি কেবিনেট সচিব ৰাজীৱ গৌবাৰ অধ্যক্ষতাত এখন বৈঠকত মিলিত হয়। বৈঠকত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালক প্ৰধানে বংগোপ সাগৰৰ মধ্যভাগত বাংলাদেশৰ খেপুপাৰাৰ পৰা প্ৰায় ৮০০ কিলোমিটাৰ দক্ষিণ-দক্ষিণ পশ্চিমত আৰু পশ্চিমবংগৰ কেনিঙৰ ৮১০ কিলোমিটাৰ পশ্চিমত সৃষ্টি হোৱা নিম্ন চাপৰ স্থিতিৰ বিষয়ে কমিটীক অৱগত কৰে।

পশ্চিমবংগৰ মুখ্য সচিবে কমিটীক ঘূৰ্ণী বতাহৰ কবলত পৰা সম্ভাৱনা থকা এলেকাসমূহত ধন-জনৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা সতৰ্কতামূলক ব্যৱস্থাৰ বিষয়ে জনায়। মাছমৰীয়াসকলক সাগৰত মাছ ধৰিবলৈ নাযাবলৈ আৰু ইতিমধ্যে মাছ ধৰিবলৈ যোৱা সকলক ঘূৰি আহিবলৈ কোৱা হৈছে। জিলা নিয়ন্ত্ৰণ কক্ষসমূহো সক্ৰিয় কৰি তোলা হৈছে আৰু পৰিস্থিতিৰ ওপৰত নজৰ ৰখা হৈছে। পৰ্যাপ্ত ঔষধ, বিদ্যুৎ যোগান আৰু জৰুৰীকালীন সেৱাসমূহ যিকোনো পৰিস্থিতিৰ বাবে সাজু কৰি তোলা হৈছে।

ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে ঘূৰ্ণী বতাহৰ ফলত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ জোৰা মৰাৰ বাবে ১২টা দল নিয়োগ কৰিছে আৰু ৫টা অতিৰিক্ত দল সাজু কৰি ৰাখিছে। স্থলসেনা, নৌ বাহিনী আৰু উপকূলৰক্ষী বাহিনীৰ উদ্ধাৰ আৰু সাহায্য দলসমূহো জাহাজ আৰু বিমানৰ সৈতে সাজু কৰি ৰখা হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰই কলকাতা আৰু পাৰাদ্বীপৰ বন্দৰসমূহলৈ নিয়মীয়াভাৱে সতৰ্কতা আৰু পৰামৰ্শ জাৰি কৰি আছে। শক্তি মন্ত্ৰালয়ে ঘূৰ্ণী বতাহৰ ফলত বিদ্যুৎ যোগান ব্যাহত হ'লে ততালিকে বাহাল কৰাৰ বাবে জৰুৰীকালীন দল নিয়োগ কৰিছে।

ooooo

৭৭ সংখ্যক কাঁ চলচ্চিত্ৰ মহোৎসৱত ভাৰতীয় চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ ছাত্ৰ চিদানন্দ এছ নাইক আৰু তেওঁৰ দলৰ Sunflowers were the first ones to know' শীৰ্ষক ছবিখনে 'লা চিনেফ' বঁটা লাভ কৰিছে। বুধবাৰে মহোৎসৱস্বীত ভাৰতীয় চলচ্চিত্ৰখনক আনুষ্ঠানিকভাৱে বিজয়ী ঘোষণা কৰা হয়। ছবিখনৰ পৰিচালনা চিদান্নদ এছ নাইকৰ। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে কয় যে ভাৰতীয় চিনেমাৰ বাবে এয়া এক ঐতিহাসিক মুহূৰ্ত। আন্তঃৰাষ্ট্ৰীয় মঞ্চত ভাৰতীয় ছবিয়ে প্ৰশংসা লাভ কৰি আহিছে। বিগত কেইবছৰমানৰ পৰা এই মহোৎসৱত ছাত্ৰ-ছাত্ৰীৰ ছবি প্ৰদৰ্শিত হোৱাৰ লগে লগে কাঁ মহোৎসৱত ভাৰতীয় চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানে যঠেষ্ট ভাল প্ৰদৰ্শন কৰিছে। Sunflowers were the first ones to know" ছবিখনত গাঁওৰ ডাকোৱাল কুকুৰা চুৰি কৰা এগৰাকী বৃদ্ধাৰ কাহিনীৰ জৰিয়তে সামাজিক বাৰ্তা দিয়াৰ প্ৰয়াস কৰা হৈছে।

ooooo

ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰ খেলত ৰাজস্থান ৰয়েলছক ৩৬ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ৰাজস্থান ৰয়েলছে ১৭৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৩৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ ধ্ৰুৱ জুৰেলে ৩৫টা বলত ৫৬ ৰান কৰি আউট নোহোৱাকৈ থাকে। হায়দৰাবাদৰ শ্বাহবাদ আহমেদে তিনিটা আৰু অভিষেক শৰ্মাই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ২০ অভাৰত ৯টা উইকেটৰ বিনিময় ১৭৫ ৰান কৰে। হায়দৰাবাদৰ

হৈ হেনৰিক ক্লাছনে ৩৪টা বলত ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থানৰ হৈ ট্রেণ্ট বোল্ট আৰু অৱেশ খানে তিনিটাকৈ উইকেট লাভ কৰে।

ছানৰাইজাৰ্ছ হায়দৰাবাদ কাইলৈ একেখন ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰিছিল।

০০০০০

**সমাপ্ত**